☐ RNI Regn. No- ASSASS/2011/38477

...ৰ উক্তি

...নিজৰ পৰিয়ালতে
...ন ব্যক্তিৰ চাৰিজনীয়া
...জনেই ভাৰতৰ ৰাষ্ট্ৰীয়
...কৰিব নালাগে, ৰাষ্ট্ৰীয়
...শন কৰিলে উঠি দিব
...ক্তিজনে আকৌ অসমৰ
...ৰ দিবা স্বপ্ন দেখিছে।
— মন্ত্ৰী পীযুষ হাজৰিকা


# অসমীয়া খবৰ

নিৰ্ভীক, নিৰপেক্ষ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

...নং ঃ ০৩৭৬—২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ পঞ্চদশ বছৰ সংখ্যা ৮৮ মঙলবাৰ ২৭ মাঘ ১৯৪৭ শক ১০ ফেব্ৰুৱাৰী ২০২৬ চন ASOMIYA KHABAR JORHAT TUESDAY 10 FEBRUARY 2026 দাম ঃ ৭.০০ টকা


তেজপুৰ মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উপলক্ষে সাংস্কৃতিক শোভাযা...



### নৱ প্ৰজন্মই ড° ভূপেন হাজৰিকাৰ আদৰ্শক আগুৱাই নিয়া উচিত ঃ ড° গোহাঁই

## কানৈ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় আলোচনা-চক্ৰ

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৯ ফেব্ৰুৱাৰী ঃ** 'নৱ প্ৰজন্মই ড° ভূপেন হাজৰিকাৰ আদৰ্শক আগুৱাই নিয়া উচিত। অসমীয়া জাতি সত্তাক জীয়াই ৰাখিবলৈ ড° ভূপেন হাজৰিকাৰ কৰ্মৰাজিৰ অধ্যয়ন আৰু চৰ্চাৰ এক সুস্থ বাতাবৰণ সৃষ্টি কৰিব লাগিব।' ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত, মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মাণ নিৰ্ণায়ক কোষ, বাংলা বিভাগ, হিন্দী বিভাগ আৰু সংস্কৃত বিভাগৰ সহযোগত 'ড° ভূপেন হাজৰিকা ঃ অসমীয়া জাতীয়তাবাদ আৰু বৃহত্তৰ মানৱতা' শীৰ্ষক দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰৰ প্ৰথম দিনাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে অনলাইন মাধ্যমত সংযুক্ত হোৱা দক্ষিণ আফ্ৰিকাস্থিত বিজ্ঞানী ড° মুকুট গোহাঁয়ে এইদৰে কয়। ড° গোহাঁয়ে কয়— ড° ভূপেন হাজৰিকাৰ গীতত মানৱতাবোধ, জাতীয়তাবোধ আৰু সমাজ সচেতনতাৰ দিশ প্ৰকাশ হোৱা দেখা যায়। অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে আঁত ধৰা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে কয়— ড° ভূপেন হাজৰিকা মাথোঁ কেৱল এজন ব্যক্তি নাছিল, তেওঁ আছিল এটা যুগ, এটা যাত্ৰা, এখন সমাজ, এখন পৃথিৱী আৰু মানৱ জাতিৰ এক স্পন্দন স্বৰূপ। তেওঁ কয়— ড° ভূপেন হাজৰিকাই কেতিয়াও জাতীয়তাবাদৰ নামত সংকীৰ্ণতাক প্ৰশ্ৰয় দিয়া নাছিল। লুইতৰ পাৰৰ পৰা ভল্গা, মিছিচিপিৰ পাৰৰ মানুহৰ দুখ, দুৰ্দশালৈকে তেওঁৰ মানৱতা ব্যাপ্তি আছিল। অধ্যক্ষগৰাকীয়ে কয়— ড° ভূপেন হাজৰিকাৰ বাবে জাতীয়তাবাদ মানে কেৱল এক ভৌগোলিক পৰিসীমাৰ ভিতৰত আৱদ্ধ নহয়, বৰঞ্চ ই আছিল সমগ্ৰ বিশ্বৰ মানৱ সমাজৰ বাবে এক সংস্কৃতিৰ সমন্বয়, মানৱতাৰ সমন্বয়। অধ্যাপক ড° মৃদুল শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত বীজ ভাষণ প্ৰদান কৰে দিল্লী বিশ্ববিদ্যালয়ৰ ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ অধ্যাপিকা ড° ৰত্নোত্তমা দাসে। ভাষণ প্ৰসংগত ড° দাসে কয়— ড° ভূপেন হাজৰিকাৰ গীতত ভাষাৰ কালিকা অত্যন্ত শক্তিশালী। তেওঁ কয়— ড° ভূপেন হাজৰিকা উত্তৰ-পূৰ্বাঞ্চল তথা ভাৰতবৰ্ষক বিশ্বৰ দৰবাৰত সংযোগ কৰা এগৰাকী প্ৰতিভাধৰ ব্যক্তি। অনুষ্ঠানত উপস্থিত থাকি উদ্বোধনী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য ড° গোপাল হাজৰিকাই। উদ্বোধনী ভাষণ প্ৰসংগত ড° হাজৰিকাই কয়— ড° ভূপেন হাজৰিকা এগৰাকী বহুমুখী প্ৰতিভাৰ শিল্পী আছিল। তেওঁৰ গীতত সমন্বয়ৰ চেতনা, মানৱতাবোধ, জাতীয়তাবোধ, অধিবাস্তৱবাদৰ ছবি, শ্ৰমৰ মৰ্যদা তথা শোষিত-নিষ্পেষিত জনতাৰ কণ্ঠস্বৰ আছিল। অনুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য জ্যোতি প্ৰসাদ কানৈয়ে আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰৰ 'সাৰাংশ পুথি' উন্মোচন কৰে। উল্লেখ্য যে অনুষ্ঠানৰ লগত সংগতি ৰাখি বিগত সময়ছোৱাত বিয়োগ হোৱা প্ৰয়াত জুবিন গাৰ্গকে প্ৰমুখ্য কৰি কেইবাগৰাকীও শিল্পী, সাহিত্যিকক স্মৰণ কৰি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। অনুষ্ঠানত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সদস্য অভিমন্যু বৰুৱা, উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা শিখামণি কোচ দেউৰী, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈকে ধৰি ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু গৱেষকে অংশগ্ৰহণ কৰে। আলোচনা চক্ৰৰ সমান্তৰালভাৱে গ্ৰামোফ'ন ৰেকৰ্ডৰ সংগ্ৰাহক উমানন্দ দুৱৰাৰ ড° ভূপেন হাজৰিকাৰ গীতৰ বচা বচা গ্ৰামোফ'নৰ পুৰণি ৰেকৰ্ডৰ প্ৰদৰ্শনীও প্ৰদৰ্শিত হয়। আলোচনা-চক্ৰৰ লগত সংগতি ৰাখি সন্ধিয়া ড° ভূপেন হাজৰিকাৰ সংগীতৰ 'প্ৰতিধ্বনি শুনো' শীৰ্ষক এক বৰ্ণাঢ্য অনুষ্ঠানো অনুষ্ঠিত হয়। শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা ড° মন্মী বৰুৱাই।